বাণীবদ্ধ প্ৰথম অসমীয়া গীতৰ শতবাৰ্ষিকীত

মনোজ কুমাৰ শ্ৰুতিকৰ

১৯১৪ চনতে শিৱসাগৰৰ সংগীতাচাৰ্য প্ৰয়াত লক্ষ্মীৰাম বৰুৱাই কলিকতাত অসমীয়া গীত বাণীবদ্ধ কৰাৰ পৰিকল্পনা কৰিছিল যদিও, অসুস্থতাৰ কাৰণে তেওঁৰ সপোন বাস্তৱত পৰিণত নহ'ল। দহবছৰৰ পিছত তেওঁৰে সুযোগ্য পুত্ৰ প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাই ১৯২৪ চনৰ ছেপ্টেম্বৰ মাহত কলিকতালৈ গৈ, প্ৰথম অসমীয়া চাৰিটা গীত বাণীবদ্ধ কৰে। ২০২৪ চনত আমি বাণীবদ্ধ অসমীয়া গীতৰ শতবৰ্ষ পূৰ্ণ কৰিছোঁ। শতবৰ্ষ পূৰণৰ আগমুহূৰ্তত সমূহ অসমীয়া সংগীতপ্ৰেমী বাইজক এই প্ৰবন্ধটোৰ যোগে শতবৰ্ষ পালনৰ বাবে যথাযোগ্য আয়োজন কৰিবৰ বাবে অনুৰোধ কৰিলোঁ। ২০২৪ চনটোত আমি বিভিন্ন কাৰ্যক্ৰমেৰে ৰূপায়িত কৰি, শতবৰ্ষটো যেন মহীয়ান কৰি তুলিব পাৰোঁ, তাৰ বাবে সকলোকে অনুৰোধ কৰিলোঁ।

আজিৰ যুগত ঘৰতে বহি বিভিন্ন কাৰিকৰী প্ৰযুক্তি বিদ্যাৰ দ্বাৰা গান বাণীবদ্ধ কৰি সাত সাগৰ তেৰুনদীৰ সিপাৰলৈ মুহূৰ্তৰ ভিতৰতে পঠাব পাৰি। কিন্তু ১৯২০ চন বা তাৰো ত্ৰিশবছৰমান পাছলৈকে, অসমৰ পৰা কলিকতালৈ যোৱাটোৱে দুৰূহ আছিল। ৰে'লেৰে গ'লে দুই-তিনি ঠাইত নামি, ফেৰীৰে নদী পাৰ হৈ পুনৰ ৰে'লযাত্ৰা কৰি দুই-তিনিদিনৰ পিছতহে কলিকতা পাইছিলগৈ। সেয়া হ'ল যাত্ৰাৰ ধৰ্ষণা। ইয়াৰ লগতে আছিল থকা-খোৱাৰ ব্যয়বহুল ব্যৱস্থাটো। তাৰ পিছত আছিল অ'ডিশ্যনৰ কথা। যদি অ'ডিশ্যনত অকৃতকাৰ্য (ফেইল) হয়, তেনেহ'লে পুনঃমুৰ্চিকাভৰ। গ্ৰামোফ'ন ৰেকৰ্ডত মাত্ৰ তিনিটা বা চাৰিটামান গান বাণীবদ্ধ কৰাটোৱে, কিমান কষ্টসাধ্য আছিল, আজিৰ প্ৰজন্মই সেইবোৰ কথা অনুভৱ কৰিব পৰাটোৱেই এটা সপোন। কিন্তু, বহুতো অসম্ভৱক সম্ভৱ কৰি দেউতাক লক্ষ্মীৰাম বৰুৱাৰ সপোনক বাস্তৱত ৰূপায়িত কৰিলে, তেতিয়াৰ ২৪ বছৰীয়া যুৱক প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাই।

১৯১৪ চনতে প্ৰয়াত লক্ষ্মীৰাম বৰুৱাই কলিকতাৰ ত্ৰিনিটি সংগীত কলেজত সংগীতৰ পৰীক্ষা দিয়াৰ যো-জা চলাইছিল। নিজে অসমীয়া, 'ভাৰতীয় আৰু পশ্চিমীয়া সংগীতৰ তুলনামূলক অধ্যয়ন' নামৰ গ্ৰন্থ এখন প্ৰকাশৰো আয়োজন কৰিছিল। কিন্তু অসুখ হৈ মৃত্যুমুখত পৰা প্ৰয়াত বৰুৱাই, তেওঁ ৰচনা কৰা গীতসমূহ আৰু ৰচনাৱলী প্ৰকাশৰ বাবে পুত্ৰ প্ৰফুল্ল চন্দ্ৰৰ ওচৰত অন্তিম ইচ্ছা প্ৰকাশ কৰি থৈ যায়।

ইতিমধ্যে ১৯২০ চনৰ ছেপ্টেম্বৰ মাহত তেতিয়াৰ যুৱক প্ৰফুল্ল চন্দ্ৰই জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা অসহযোগ আন্দোলনত জঁপিয়াই পৰে। ব্ৰিটিছ প্ৰশাসনে তেওঁক গ্ৰেপ্তাৰ কৰি তেজপুৰ জে'লত বন্দী কৰি ৰাখে। ১৯২২ চনত তেজপুৰ জে'লৰ পৰা মুকলি আকাশৰ তলালৈ অহা প্ৰফুল্ল চন্দ্ৰ আৰ্থিক দীনতাত ভুগিবলৈ ধৰিলে। তেওঁ তেজপুৰৰ বাণ থিয়েটাৰৰ মুখ্য সম্পাদক ৰাধিকা মোহন দাসৰ সান্নিধ্যত ভাতৃপ্ৰতীম জ্যোতি প্ৰসাদ আগৰৱালাৰ শোণিত কুঁৱৰী নাটৰ সংগীত ৰচনা কৰে। সংগীতৰ গভীৰ জ্ঞান থকা প্ৰফুল্ল চন্দ্ৰই এই গীতসমূহক বাণীবদ্ধ ৰূপত প্ৰকাশ কৰাৰ পৰিকল্পনা কৰে। সেই উদ্দেশ্যেৰে কলিকতা যাত্ৰাৰ কল্পনা কৰে।

১৯২৪ চনৰ জুলাই-আগষ্ট মাহত তেওঁ কলিকতালৈ যাত্ৰা কৰে। কলিকতাৰ দৰে ব্যয়বহুল চহৰত জীৱন নিৰ্বাহৰ বাবে কিছু অতিৰিক্ত ধনৰ প্ৰয়োজন। সেই অতিৰিক্ত ধন অৰ্জনৰ বাবে, তেওঁ বেলিয়াঘাটাত অৱস্থিত ইষ্টবেংগল ৰে'লৱেৰ ফেক্টৰী এটাত, মাত্ৰ ৩০ টকাৰ মাহিলি বৃত্তিত শিক্ষানবিচ পদত যোগদান কৰে। শিয়ালদহ ৰে'ল ষ্টেছনৰ পৰা বেলিয়াঘাটাৰ ফেক্টৰীলৈ যোৱাৰ পথত হিজ মাষ্টাৰ্ছ ভইচ গ্ৰামোফ'ন কোম্পানীৰ অফিচটো প্ৰত্যক্ষ কৰে। এদিন তেওঁ চাকৰিলৈ যাওঁতে, বাটত সেই কোম্পানীৰ মেনেজাৰক লগ কৰিবৰ বাবে গে'টত থকা নিৰাপত্তাৰক্ষীক অনুৰোধ কৰে। তেওঁ প্ৰফুল্ল চন্দ্ৰক যাৱতীয় প্ৰপত্ৰ এখন আনি ভৰ্তি কৰিবলৈ দিলে। ৰে'লৱে ফেক্টৰীৰ খাকী হাফপেণ্ট আৰু জৰলা কামিজেৰে তেওঁৰ চেহেৰা বা অৱয়বত সংগীতজ্ঞৰ কোনো চিন-মোকাম পোৱা নগ'ল। তথাপি, কিছু সময়ৰ বিৰতিৰ পিছত জেনেৰেল মেনেজাৰৰ কক্ষলৈ তেওঁক মাতিলে। মেনেজাৰৰ লগত হোৱা কথোপকথনখিনি পঢ়ুৱৈসকলৰ জ্ঞাতাৰ্থে দিয়া হ'ল।

মেনেজাৰে সুধিলে— অসমীয়া মানুহে বেংগলী গীত গাই ভাল পায়, কিন্তু তুমি অসমীয়া-গানৰ ৰেকৰ্ডিঙৰ কাৰণে আহিছা। ইমান কম জনসংখ্যাৰ অসমীয়া মানুহে, গ্ৰামোফ'ন ৰেকৰ্ড কিনিব জানো? তাৰ উত্তৰত প্ৰফুল্ল চন্দ্ৰই ক'লে— 'আজিকালি অসমত অসমীয়া গীত খুব জনপ্ৰিয় হৈছে, আপুনি এবাৰ ৰেকৰ্ড কৰি চাওকচোন বাৰু' শেষত মেনেজাৰ চাহাবে সুধিলে— 'পিছে গায়ক ক'ত? যদি গায়কজনে নিজৰ খৰচত বিমানেৰে কলিকতালৈ আহে, মই কথাটো বিবেচনা কৰি চাম বাৰু। উত্তৰত প্ৰফুল্ল চন্দ্ৰই লগে লগেই ক'লে— 'চাহাব, মইয়ে সেই গায়কজন আৰু মইয়ে ৰেকৰ্ডত গান গাম।' তেতিয়া চাহাবে ক'লে— 'ঠিক আছে, তোমাৰ কণ্ঠৰ পৰীক্ষা লোৱা যাব আৰু পৰীক্ষাৰ ফলাফল আমি তোমাক চিঠিৰে জনাম।'

সেইদিনা, প্ৰফুল্ল চন্দ্ৰৰ আৰু ৰে'লৰ ফেক্টৰীলৈ যোৱা নহ'ল। ঘৰতে বহি ছুটীৰ বাবে আবেদন জনালে। দুদিনমানৰ পিছতে গ্ৰামোফ'ন কোম্পানীৰ পৰা অহা চিঠিৰে তেওঁক ১০৬, আপাৰ চিটপুৰ ৰোডত অৱস্থিত ৰিহাৰ্ছেল ৰুমলৈ যাবলৈ নিৰ্দেশ দিলে। তেওঁ চিটপুৰ ৰোডৰ তিনিমহলীয়া ঘৰটোৰ দ্বিতীয় মহলা পোৱাৰ পিছত জিৰণি কক্ষত অপেক্ষা কৰিবলৈ ক'লে। তেনে সময়তে, এজন আদবয়সীয়া মানুহ আহি প্ৰফুল্ল চন্দ্ৰৰ লগত চিনাকি হৈ, তেওঁক তেওঁৰ সংগীতৰ জ্ঞান আৰু সাধনাৰ বিষয়ে পুংখানুপুংখভাৱে প্ৰশ্ন কৰি সম্যক জ্ঞান আহৰণ কৰিলে। ইতিমধ্যে সেই সময়ত ৰুমটোলৈ আন আন ৰুমৰ পৰা সংগীতজ্ঞসকল সোমাই আহিল। ২৪ বছৰীয়া প্ৰফুল্ল চন্দ্ৰই হাৰমনিয়মত সুৰ ধৰিলে আৰু আদবয়সীয়া মানুহজনে তবলা সংগত কৰিলে। 'অসমা নিৰুপমা জননী ঐ, অলংঘ্যগিৰি দুৰ্গাৰাণী' গীতটোৱে আৰম্ভ কৰিলে। গীতৰ শেষত উপস্থিত সকলোৱে হাত চাপৰি বজাই প্ৰফুল্ল চন্দ্ৰক উৎসাহিত কৰিলে।

এই আদবয়সীয়া মানুহজন আছিল গ্ৰামোফ'ন কোম্পানীৰ প্ৰশিক্ষক বিখ্যাত সংগীতজ্ঞ মণ্টু ঘোষ। তাৰ পিছতেই প্ৰফুল্ল চন্দ্ৰই এটি বাঙালী গীত পৰিবেশন কৰি, সমবেত শ্ৰোতাৰ পৰা প্ৰবল হাত চাপৰি পাবলৈ সমৰ্থ হ'ল। গীতৰ শেষত ৰামত থকা সংগীতজ্ঞসকলে এজন এজনকৈ তাৰ পৰা বিদায় ল'লে। মণ্টু ঘোষে সকলো সংগীতজ্ঞ যোৱাৰ পিছত ব্যক্তিগতভাৱে প্ৰফুল্ল চন্দ্ৰক চাহ-বিস্কুটেৰে আপ্যায়িত কৰিলে।

চাৰিদিনৰ পিছত, গ্ৰামোফ'ন কোম্পানীৰ চাৰিটা অসমীয়া গীত ৰেকৰ্ডিং কৰিব বুলি প্ৰফুল্ল চন্দ্ৰক চিঠিৰে জনালে। চিঠিখন পোৱাৰ পিছদিনাই, তেওঁ চিটপুৰ ৰোডৰ ৰিহাৰ্ছেল ৰুম পালেগৈ আৰু তাতে তেওঁ যি চাৰিটা গীত বাণীবদ্ধ কৰিব, সেই গীতসমূহ নিৰ্বাচন কৰিলে। নিৰ্বাচিত গীতসমূহক আধুনিক অসমীয়া সুৰেৰে অলংকৃত কৰিলে। প্ৰত্যেকটো গীতৰ সময়সীমা তিনিমিনিটকৈ নিৰ্ধাৰণ কৰি দিয়া হৈছিল। তেওঁ সেইমতে প্ৰত্যেকটো গীত সেই সময়সীমাৰ ভিতৰত গাবৰ বাবে, কেইবাবাৰো প্ৰেক্টিচ (অভ্যাস) কৰিলে।

গানৰ ৰেকৰ্ডিং আকৌ এজন ইংৰাজ ভদ্ৰলোকে অকলে নিয়ন্ত্ৰণ আৰু সম্পাদন কৰে। ৰেকৰ্ডিং ৰুমৰ ভিতৰলৈ প্ৰফুল্ল চন্দ্ৰ আৰু মণ্টু ঘোষ হাৰমনিয়াম, তবলাসহ প্ৰৱেশ কৰিলে। ৰঙালাইট জ্বলা মাত্ৰকে গীত আৰম্ভ হ'ল আৰু প্ৰথম গীতটো শেষ হোৱাৰ, পাঁচ ছেকেণ্ড মানৰ বিৰতিৰ পিছতে দ্বিতীয়টো গীত আৰম্ভ কৰা হ'ল। এনেকৈয়ে, বাকী গীত দুটাৰো ৰেকৰ্ডিং সম্পূৰ্ণ হ'ল। গানসমূহৰ ৰেকৰ্ডিঙৰ পিছত, ৰেকৰ্ডিং বা কেনে হ'ল, কিবা ভুল-ভ্ৰান্তি থাকি গ'ল নেকি, এনে এশ-এবুৰি চিন্তাৰে প্ৰফুল্ল চন্দ্ৰই বিনিদ্ৰ ৰজনী পাৰ কৰিলে।

এদিন হঠাতে প্ৰফুল্ল চন্দ্ৰই গ্ৰামোফ'ন কোম্পানীৰ পৰা এখন চিঠি পালে য'ত তেওঁক ফেক্টৰীলৈ গৈ চাৰিখন বিনামূলীয়া শুভেচ্ছাজ্ঞাপক (Complimentary) ৰেকৰ্ড সংগ্ৰহ কৰিবৰ বাবে নিৰ্দেশ দিলে।

১৯০২ চনৰ পৰা ১৯৫০ চনলৈকে গীতসমূহ এখন ৰেকৰ্ডত মাত্ৰ দুটাকৈহে বাণীবদ্ধ কৰা হৈছিল। এপিঠিত এটা আৰু সিপিঠিত এটা।

সংগীতাচাৰ্য প্ৰফুল্ল চন্দ্ৰ বৰুৱাই কণ্ঠদান কৰা চাৰিওটা গীতৰ বিৱৰণ পাঠকসকলৰ জ্ঞাতাৰ্থে দিয়া হ'ল।

১মখন ৰেকৰ্ডত

(১) ফুলো ফুলিলে, জোনায়ে হাঁহিলে, কথা : প্ৰসন্ন লাল চৌধুৰী

(২) হৃদয় বিদাৰি উঠে শতবেদনা, কথা : প্ৰসন্ন লাল চৌধুৰী

২য়খন ৰেকৰ্ডত

(১) কিয়নো পাহৰা অসমীয়া হেৰা, কথা : ৰাধানাথ ফুকন

(২) অসমো নিৰুপমা জননী, কথা : উমেশ চন্দ্ৰ চৌধুৰী

প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ পিছত এই এইচ এম ভি কোম্পানীতে বহুতো গায়ক-গায়িকাই অসমীয়া গীত-মাত বাণীবদ্ধ কৰি অসমৰ সংগীত জগতখনক অঁকল সমৃদ্ধ কৰাই নহয়, এটা নতুন যুগৰ অৱতাৰণা কৰিলে। অসমীয়া বাণীবদ্ধ গীতৰ প্ৰথমখন ৰেকৰ্ড গ্ৰাহকসকলৰ মাজত বিক্ৰী কৰিবৰ বাবে 'ভয়চ গ্ৰামোফ'ন কোম্পানী' এজেণ্ট বৰুৱা ব্ৰাদাৰ্ছ এণ্ড কোম্পানীৰ হেড অফিচ ৫৫ নং চেণ্ট্ৰেল এভিনিউ, কলিকতাৰ পৰা 'অসমীয়া গ্ৰামোফ'ন ৰেকৰ্ড' শীৰ্ষক বিজ্ঞাপন ১৯১৪ চনৰ ২১ ছেপ্টেম্বৰত 'সাদিনীয়া অসমীয়া' নামৰ বাতৰি কাকতত প্ৰকাশ পাইছিল।

১৯৩৮ চনত আৱিষ্কাৰ হোৱা আৰু যাঠিৰ দশকৰ পিছত, জনপ্ৰিয় হোৱা টেইপ ৰেকৰ্ডাৰে গ্ৰামোফ'ন ৰেকৰ্ডৰ ক্ৰমান্বয়ে জনপ্ৰিয়তা হ্ৰাস কৰিবলৈ ধৰিলে। আজিৰ প্ৰজন্মৰ বাবে গ্ৰামোফ'ন বা গ্ৰামোফ'ন ৰেকৰ্ড এটা দুষ্প্ৰাপ্য আৰু সংগ্ৰহালয়ত সংগ্ৰহ কৰাৰহে এবিধ সম্পদ হ'ল।

এই ক্ষেত্ৰত বৰ্তমান চৰাইদেউ জিলাৰ মৰাণহাট নিৱাসী উমানন্দ দুৱৰাই ১৯২৪ চনৰ প্ৰথমখন অসমীয়া ৰেকৰ্ডৰ পৰা আৰম্ভ কৰি ১৯৮৯ চনলৈকে, প্ৰায় ৫০০০ অসমীয়া বাণীবদ্ধ গীতৰ ৰেকৰ্ড সংগ্ৰহ কৰে। তেওঁ প্ৰায় অসমীয়া জীৱনৰ পৰাই অৰ্থাৎ ১৯৮৩ চনৰ পৰা প্ৰথম সংগ্ৰহৰ কাম আৰম্ভ কৰে। ১৯৯৩ চনৰ পৰা ২০০৩ চনলৈকে, এই দহবছৰ কাল, পুৰণি অসমীয়া ৰেকৰ্ডৰ কামটো এটা অভিযান (Project) হিচাপে লৈ, এক বৃহৎসংখ্যক ৰেকৰ্ড সংগ্ৰহ কৰে। ২০০৩ চনত মৰাণহাটত এটা স্থায়ী সংগ্ৰহালয় নিৰ্মাণ কৰে। ২০০৭ চনৰ ২৩ মাৰ্চত সংগ্ৰহালয়ৰ এই স্থায়ী ভৱনটোৰ শুভাৰম্ভ কৰে অসমৰ বিশিষ্ট গায়িকা মনীষা হাজৰিকাই। তেওঁৰে সুযোগ্য ভতিজাক পেছাত উকীল তেজস্বী দুৱৰাই, ৰেকৰ্ডত থকা বাণীবদ্ধ গীতসমূহ, পুৰণি গ্ৰামোফ'নেৰে বজাই কাৰিকৰী প্ৰযুক্তিৰে ডিজিটেল পদ্ধতিলৈ পৰিবৰ্তন কৰি আছে। অসমবাসী সংগীতপ্ৰেমী ৰাইজৰ বাবে এই সংগ্ৰহালয় এক অমূল্য সম্পদ আৰু ইয়াক সংৰক্ষণ কৰাটো প্ৰত্যেকজন অসমীয়া সংগীতপ্ৰেমীৰ কৰ্তব্য।

এইখিনিতে উল্লেখ কৰিব পাৰি যে প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ পো-নাতিদ্বয় ক্ৰমে জ্যাঙ্গল ট্ৰেভেলছৰ স্বত্বাধিকাৰী জাহ্নবী ফুকন আৰু ৱেব ডট কম, ইণ্ডিয়াৰ স্বত্বাধিকাৰী আৱেৰী বৰুৱা থেকেডাথৰ প্ৰচেষ্টাত পি চি বৰুৱা মেম'ৰিয়েল ২০২৪-২৫' শীৰ্ষক এটি ৱাটছ এপ গ্ৰুপ গঠন কৰা হয় আৰু লগতে শতবাৰ্ষিকী উদযাপনৰ হেতু 'প্ৰথম অসমীয়া গ্ৰামোফ'ন ৰেকৰ্ডৰ শতবাৰ্ষিকী কমিটী' গঠন কৰা হয়। এই গ্ৰুপৰ সমূহ সদস্যৰ প্ৰচেষ্টাত শতবাৰ্ষিকী অনুষ্ঠানটো আগুৱাই লৈ গৈছে। আমি আশা কৰিছোঁ, তেওঁলোকৰ এই প্ৰচেষ্টা যেন সফলকাম হয় আৰু অসমীয়া গীতৰ প্ৰচাৰ আৰু প্ৰসাৰত ই সহায়ক হয়।

■ ফ'ন : ১৯৫৪২৫৯৩৫৭